**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 08-10-2025
**Time :** 1910 HRS.

ASSAMESE EVENING BULLETIN
**HEADLINES**
**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দেশৰ বিমান পৰিবহন আন্তঃগাঁথনি খণ্ডত নতুন ইতিহাসৰ সূচনা কৰি নবী মুম্বাই আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ মুকলি কৰে।

২। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কিৰ ষ্টাৰমাৰে ভাৰত-ব্ৰিটেইন মুক্ত বাণিজ্য চুক্তিক ইউৰোপীয় সংঘ ত্যাগ কৰাৰ পিছত ব্ৰিটেইনে স্বাক্ষৰ কৰা সৰ্ববৃহৎ চুক্তি বুলি অভিহিত কৰিছে।

৩। আন্তঃৰাষ্ট্ৰীয় সামাজিক সুৰক্ষা সংস্থাই ভাৰতক সামাজিক ক্ষেত্ৰৰ উল্লেখনীয় সাফল্য বঁটা ২০২৫ৰে সন্মানিত কৰিছে।

৪। ধাতবীয় জৈৱিক পৰিকাঠামোৰ বিকাশৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰ, জাপান আৰু অষ্ট্ৰেলিয়াৰ ৩গৰাকী বিজ্ঞানীলৈ ২০২৫ বৰ্ষৰ ৰসায়ন বিজ্ঞানৰ নবেল বঁটা আগবঢ়োৱা হৈছে।

*আৰু*

৫। আই চি চি এদিনীয়া মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত অষ্ট্ৰেলিয়াই পাকিস্তানক জয়ৰ বাবে ২২২ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দেশৰ বিমান পৰিবহন আন্তঃগাঁথনি খণ্ডত নতুন ইতিহাসৰ সূচনা কৰি নবী মুম্বাই আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ মুকলি কৰে। ১৯ হাজাৰ ৬৫০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই বিমান বন্দৰটোৰ বাণিজ্যিক সেৱা অহা ডিচেম্বৰত আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ লগে লগে একাধিক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ থকা বিশ্বৰ বছা বছা চহৰৰ ভিতৰত মুম্বাইৰ নামও অন্তৰ্ভুক্ত হ'ল। বিমান বন্দৰটো আনুষ্ঠানিকভাৱে মুকলি কৰাৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে বন্দৰটো পৰিদৰ্শন কৰে আৰু যাত্ৰীসকলৰ বিভিন্ন সা-সুবিধাৰ বুজ লয়। শ্ৰীমোদীয়ে লগতে ফুল আৰু ৰাষ্ট্ৰীয় পতাকাৰে আদৰণি জনোৱা দিব্যাংগ শিশুসকলৰ সৈতে মত বিনিময় কৰে। এই উপলক্ষে এটা সমাবেশত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কয় যে এই নতুন বিমান বন্দৰটোৱে বিকশিত ভাৰতৰ দৃষ্টিভংগীক প্ৰতিফলিত কৰিছে আৰু দেশৰ প্ৰগতি, সংস্কৃতি আৰু প্ৰযুক্তিগত সামৰ্থ্য তুলি ধৰিছে। তেওঁ কয় যে বিমান বন্দৰটো পদুম আকৃতিৰ আৰ্হিৰে দেশৰ ঐতিহ্যক প্ৰতিফলিত কৰিছে। তেওঁ কয় যে বিমান বন্দৰটোৰ পৰা কৃষক আৰু মাছমৰীয়াসকল উপকৃত হ'ব। তেওঁলোকে বিমান বন্দৰটোৰ জৰিয়তে সামগ্ৰী ক্ষিপ্ৰতাৰে গোলকীয় বজাৰলৈ ৰপ্তানি কৰিব পাৰিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে ২০১৪ চনত দেশত মাত্ৰ ৭৪টা বিমান বন্দৰ আছিল আৰু সম্প্ৰতি এনে বন্দৰৰ সংখ্যা ১৬০ৰো অধিক হৈছে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয় যে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বাবে বিমান সেৱা সহজলভ্য আৰু বহনক্ষম কৰি তোলাৰ উদ্দেশ্যে প্ৰৱৰ্তন কৰা উড়ান আঁচনিৰ অধীনত এই সফলতা অৰ্জন কৰিব পৰা হৈছে। ভাৰত সম্প্ৰতি বিশ্বৰ তৃতীয় সৰ্ববৃহৎ ঘৰুৱা বিমান পৰিবহন বজাৰ ৰূপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয় যে এই দশকৰ শেষভাগলৈ ভাৰতবৰ্ষক বিমান পৰিবহনৰ তত্বাৱধান আৰু মেৰামতিৰ গোলকীয় কেন্দ্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্য স্থিৰ কৰা হৈছে। আত্মনিৰ্ভৰশীলতাৰ বিষয়ে গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰীয়ে জনসাধাৰণক স্বদেশী সামগ্ৰী ব্যৱহাৰৰ মন্ত্ৰ আঁকোৱালি ল'বলৈ আহ্বান জনায়। তেওঁ কয় যে স্থানীয় উদ্যোগ আৰু থলুৱা উদ্ভাৱনৰ প্ৰসাৰৰ ওপৰতেই দেশৰ প্ৰগতি নিৰ্ভৰ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে মুম্বাই মেট্ৰ'ৰ ২-খ লাইনকে ধৰি আন কেইবাটাও প্ৰকল্প উদ্বোধন কৰে। অনুষ্ঠানত মহাৰাষ্ট্ৰৰ ৰাজ্যপাল আচাৰ্য দেৱৱত, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছ, উপ-মুখ্য মন্ত্ৰী অজিত পাৱাৰ আৰু একনাথি সিন্ধে, কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী কিঞ্জাৰাপু ৰামমোহন নাইডু আৰু উদ্যোগপতি গৌতম আদানিয়ে প্ৰধানমন্ত্ৰীক সংগ দিয়ে।

০০০০০

প্ৰথমবাৰৰ বাবে দুদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে ভাৰতলৈ অহা ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কিৰ ষ্টাৰমাৰে ভাৰত-ব্ৰিটেইন মুক্ত বাণিজ্য চুক্তিক ইউৰোপীয় সংঘ ত্যাগ কৰাৰ পিছত ব্ৰিটেইনে স্বাক্ষৰ কৰা সৰ্ববৃহৎ চুক্তি বুলি অভিহিত কৰিছে। ভ্ৰমণৰ আজি প্ৰথম দিনা মুম্বাইত উদ্যোগপতিসকলক উদ্দেশ্যি দিয়া ভাষণত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰত আৰু ব্ৰিটেইনৰ মাজৰ বাণিজ্য অংশীদাৰিত্ব অত্যন্ত গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰে। তেওঁ কয় যে ব্ৰিটেইনে ভাৰতলৈ প্ৰেৰণ কৰা এয়া হৈছে সৰ্ববৃহৎ বাণিজ্য অভিযান। যোৱা বছৰ জুলাইত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লণ্ডন ভ্ৰমণৰ সময়ত স্বাক্ষৰিত এই মুক্ত বাণিজ্য চুক্তিৰ জৰিয়তে দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক বাণিজ্য বছৰি দুহেজাৰ ৫৫০ কোটি পাউণ্ডলৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে। এই চুক্তিত বস্ত্ৰ, বাহন আদিৰ লেখিয়া সামগ্ৰীৰ ওপৰত থকা কৰ হ্ৰাস কৰাৰ ব্যৱস্থা আছে। ইয়াৰ উপৰি এই চুক্তিয়ে দুয়োখন দেশৰ বস্ত্ৰ উদ্যোগ, চামৰা, জোতা-চেণ্ডেল, ক্ৰীড়া সামগ্ৰী আদি খণ্ডত হাজাৰ হাজাৰ নিয়োগ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি অন্ধেৰিত থকা য়শৰাজ ফিল্ম ষ্টুডিঅ' পৰিদৰ্শন কৰে। ইয়াৰ পাছত তেওঁ দক্ষিণ মুম্বাইত এখন ফুটবল খেলো উপভোগ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীগৰাকীক আদৰণি জনাই কয় যে কাইলৈ তেওঁ ষ্টাৰমাৰৰ সৈতে এখন বৈঠকত মিলিত হ'ব।

০০০০০

আন্তঃৰাষ্ট্ৰীয় সামাজিক সুৰক্ষা সংস্থাই ভাৰতক সামাজিক ক্ষেত্ৰৰ উল্লেখনীয় সাফল্য বঁটা ২০২৫ৰে সন্মানিত কৰিছে। শ্ৰম আৰু নিয়োগ মন্ত্ৰী মনসুখ মণ্ডাভিয়াই আজি নতুন দিল্লীত এখন সংবাদ মেলত এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ সামাজিক সুৰক্ষা সামৰি লোৱা লোকৰ সংখ্যা ৬৪ শতাংশলৈ বৃদ্ধি পাইছে। তেওঁ কয় যে দেশৰ সামাজিক সুৰক্ষা খণ্ডত ভাল প্ৰদৰ্শন কৰি আছে আৰু বিগত দশকত এই ক্ষেত্ৰত উল্লেখযোগ্য কাম হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে ৰাজহুৱা দিহা-পৰামৰ্শৰ বাবে শ্ৰম শক্তি ২০২৫ নামৰ ৰাষ্ট্ৰীয় শ্ৰম আৰু নিয়োগ নীতিৰ খচৰা মুকলি কৰে। ৰাষ্ট্ৰীয় শ্ৰম আৰু নিয়োগ নীতি সন্দৰ্ভত শ্ৰীমণ্ডাভিয়াই কয় যে ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য অনুযায়ী নিকা, সৰ্বাত্মক আৰু ভৱিষ্যমুখী দৃষ্টিভংগীৰে এই নীতি প্ৰস্তুত কৰা হৈছে। এই নীতিয়ে কৰ্মসংস্থাপনৰ বাবে দেশৰ ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিক ৰাষ্ট্ৰীয় কেৰিয়াৰ সেৱাৰূপে আগুৱাই লৈ যাব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

ধাতৱীয় জৈৱিক পৰিকাঠামোৰ বিকাশৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰ, জাপান আৰু অষ্ট্ৰেলিয়াৰ ৩গৰাকী বিজ্ঞানীলৈ ২০২৫ বৰ্ষৰ ৰসায়ন বিজ্ঞানৰ নবেল বঁটা আগবঢ়োৱা হৈছে। চুচুমু কিটাগাৱা, ৰিছাৰ্ড ৰবছন আৰু ওমৰ এম য়াঘি নামৰ এই বিজ্ঞানীকেইগৰাকীয়ে গেছ আৰু অন্য ৰসায়ন প্ৰৱাহিত হ'ব পৰা বৃহৎ ব্যৱধানবিশিষ্ট আনবিক পৰিকাঠামো বিকশাই তুলিছে। চুচুমু কিটাগাৱা জাপানৰ ক্যটো বিশ্ববিদ্যালয়ৰ অধ্যাপক। ৰিছাৰ্ড ৰবছন অষ্ট্ৰেলিয়াৰ মেলবৰ্ণ বিশ্ববিদ্যালয়ৰ আৰু ওমৰ এম য়াঘি আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেলিফৰ্ণিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপকৰূপে কৰ্মৰত হৈ আছে। বিজ্ঞানী তিনিগৰাকীক ১ কোটি ১০ লাখ ছুইচ ক্ৰ'নাৰেৰে পুৰস্কৃত কৰা হব।

০০০০০

শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে আজি শিল্পীগৰাকীৰ সম্বন্ধীয় ভাতৃ তথা বকো সমজিলাৰ ভাৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক সন্দীপন গাৰ্গক গ্ৰেপ্তাৰ কৰে। বিশেষ তদন্তকাৰী গোটে আজি সন্দীপন গাৰ্গক ১৪ দিনৰ জিম্মাত বিচাৰি কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱায়। অৱশ্যে আদালতে ৭ দিনৰ বাবে সন্দীপনক তদন্তকাৰী গোটৰ জিম্মালৈ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে ছিংগাপুৰত অনুষ্ঠিত নৰ্থ-ইষ্ট ফেষ্টিভেললৈ জুবিন গাৰ্গৰ সৈতে তেওঁ একেলগে যোৱাৰ উপৰি ছিংগাপুৰৰ সাগৰত জুবিন গাৰ্গে সাঁতোৰাৰ সময়তো তেওঁ সেই স্থানত উপস্থিত আছিল। সেই সূত্ৰে বিশেষ তদন্তকাৰী গোটে সন্দীপন গাৰ্গক যোৱা কেইবাদিনো ধৰি সোধা-পোছাৰ অন্তত আজি তেওঁক গ্ৰেপ্তাৰ কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সংক্ৰান্তত এতিয়ালৈকে ৫ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ইপিনে কণ্ঠশিল্পী মানস ৰবীনক আজি উলুবাৰীৰ চি আই ডিৰ কাৰ্যালয়ত বিশেষ তদন্তকাৰী গোটে সোধা-পোছা কৰে। শিল্পীগৰাকীয়ে জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত তেওঁৰ হাতত থকা প্ৰমাণ বিশেষ তদন্তকাৰী গোটক অৰ্পণ কৰে বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে।

০০০০০

নিৰ্বাচন আয়োগে বিহাৰৰ আসন্ন বিধানসভা নিৰ্বাচনত বয়োজ্যেষ্ঠ, দিব্যাংগ আৰু চাকৰিজীৱি ভোটদাতাসকলক পোষ্টেল বেলট ব্যৱহাৰৰ সুবিধা প্ৰদান কৰিব। আয়োগে ৮৫ বছৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ ভোটদাতাসকলে পোষ্টেল বেলটযোগে ভোটদান কৰিব পাৰিব বুলি অধিসূচনা জাৰি কৰিছে। আয়োগে এটা বিবৃতিযোগে কৈছে যে এনে ভোটদাতাসকলে নিৰ্বাচনৰ অধিসূচনা জাৰি হোৱা ৫ দিনৰ ভিতৰত বুথ পৰ্যায়ৰ বিষয়াৰ জৰিয়তে ৰিটাৰ্ণিং বিষয়াৰ ওচৰত ১২-ঘ প্ৰপত্ৰ দাখিল কৰি এই সুবিধা গ্ৰহণ কৰিব পাৰিব। ইয়াৰ উপৰি নিৰ্বাচনৰ দিনা অত্যাৱশ্যকীয় সেৱাৰ দায়িত্বত নিয়োজিত ভোটদাতাসকলেও সংশ্লিষ্ট বিভাগৰ নিৰ্দিষ্ট নডেল বিষয়াৰ জৰিয়তে পোষ্টেল বেলট সুবিধাৰ বাবে আবেদন কৰিব পাৰিব বুলি আয়োগে প্ৰকাশ কৰিছে।

০০০০০

অন্ধ্ৰপ্ৰদেশৰ কোনাচিমা জিলাত হোৱা দুৰ্ঘটনাত কেইবাজনো লোকে প্ৰাণ হেৰুওৱা ঘটনাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত লোকসকলৰ আশু আৰোগ্য কামনা কৰে। এনে জটিল সময়ত তেওঁ ঘটনাত ক্ষতিগ্ৰস্ত লোক তথা তেওঁলোকৰ পৰিয়ালৰ সৈতে সহমৰ্মিতা প্ৰকাশ কৰে।

০০০০০

আই চি চি এদিনীয়া মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোৰ আৰ প্ৰেমদাছা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত অষ্ট্ৰেলিয়াই পাকিস্তানক জয়ৰ বাবে ২২২ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

পাকিস্তানে টছত জিকি অষ্ট্ৰেলিয়াক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়। অষ্ট্ৰেলিয়াই নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেট হেৰুৱাই ২২১ ৰান সংগ্ৰহ কৰে। দলৰ হৈ বেথ মুনিয়ে সৰ্বাধিক ১০৯ কৰে। পাকিস্তানৰ হৈ নাশ্ৰা সান্ধুৱে ৩টা, ৰামিন শ্বামিম আৰু ফাতিমা ছানাই ২টাকৈ উইকেট দখল কৰে।

প্ৰতিযোগিতাত কাইলৈ বিশাখাপট্টনমত হ'বলগীয়া এখন খেলত ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ৩ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত